# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ জামুইত আয়োজিত জনজাতীয় গৌৰৱ দিৱসৰ অনুষ্ঠাত ভাগ ল'ব আৰু এই অনুষ্ঠানেৰে ভগৱান বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জন্ম বাৰ্ষিকী উদযাপন পৰ্ব আৰম্ভ হ'ব।

২। প্ৰধানমন্ত্ৰীয়ে আজি নতুন দিল্লীত প্ৰথম বড়োলেণ্ড মহোৎসৱ মুকলি কৰিব।

৩। সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু নানক জয়ন্তী বা গুৰুপৰৱ পালন কৰা হৈছে।

৪। দেশত চলিত বৰ্ষৰ এপ্ৰিলৰ পৰা অক্টোবৰলৈকে ৰপ্তানিৰ হাৰ ৭ দশমিক ২-৮ শতাংশ বৃদ্ধি পাইছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেল আজি জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ জামুইত আয়োজিত জনজাতীয় গৌৰৱ দিৱসৰ অনুষ্ঠাত ভাগ ল'ব আৰু এই অনুষ্ঠানেৰে ভগৱান বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জন্ম বাৰ্ষিকী উদযাপন পৰ্ব আৰম্ভ হ'ব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এটা স্মাৰক মুদ্ৰা আৰু ডাট টিকট মুকলি কৰিব। শ্ৰীমোদীয়ে লগতে দেশৰ গ্ৰামাঞ্চল আৰু দুৰ্গম এলেকাসমূহত বাস কৰা জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবে ছহেজাৰ ৬৪০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। আকাশবাণী দিল্লীয়ে দিনৰ চাৰে ১১ বজাৰ পৰা এফ এম গ'ল্ড, ইন্দ্ৰপ্ৰস্থ, আকাশবাণী লাইভ নিউজ 24x7 চেনেল যোগে এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী জনজাতি আদিৱাসী ন্যায় মহাভিযানৰ অধীনত নিৰ্মাণ কৰা ১১ হাজাৰ বাসগৃহৰ গৃহ প্ৰৱেশ অনুষ্ঠানতো ভাগ ল'ব। তেওঁ লগতে ২৩টা ভ্ৰাম্যমান চিকিৎসা গোট আৰু **প্ৰধানমন্ত্ৰী জনম তথা ধৰ্তি আৱাস জনজাতীয় গ্ৰাম উৎকৰ্ষ** অভিযানৰ অধীনত ৩০টা অতিৰিক্ত ভ্ৰাম্যমান চিকিৎসা গোট মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে জনজাতীয় লোকসকলৰ মাজত উদ্যমশীলতা আৰু জীৱিকাৰ প্ৰসাৰৰ উদ্দেশ্যে ৩০০টা **বন-ধন** বিকাশ কেন্দ্ৰ আৰু জনজাতীয় ছাত্ৰী-ছাত্ৰীসকলৰ বাবে ১০ খন একলব্য আদৰ্শ আৱাসিক বিদ্যালয় উদ্বোধন কৰিব। অনুষ্ঠানত মধ্যপ্ৰদেশৰ ছিন্দৱাড়া আৰু জবলপুৰত দুটা জনজাতীয় স্বাধীনতা সংগ্ৰামী সংগ্ৰহালয় আৰু জন্মু-কাশ্মীৰৰ শ্ৰীনগৰ আৰু ছিকিমৰ গেংটকত দুটা জনজাতীয় গৱেষণা প্ৰতিষ্ঠানো মুকলি কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে জনজাতীয় বসতি প্ৰধান

অঞ্চলসমূহত যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে ৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন পথৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ প্ৰধানমন্ত্ৰী **জনম** আঁচনিৰ অধীনত ১০০টা বহুমুখী কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰিব।

ভগৱান বীৰছা মুণ্ডাৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ১৫ নৱেম্বৰত জনজাতীয় গৌৰৱ দিৱস পালন কৰা হয়। দেশৰ স্বাধীনতা সংগ্ৰামত জনজাতি সম্প্ৰদায়সমূহৰ অৱদানৰ সন্মানাৰ্থে এই দিৱস পালন কৰা হয়। এই দিৱসৰ জৰিয়তে দেশৰ ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰগতিৰ ক্ষেত্ৰত জনজাতীয় গোটসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকাত আলোকপাত কৰা হয়। চাওতাল, তমাৰ, ক'ল, ভীল, খাচী আৰু মিজোকে ধৰি জনজাতীয় সম্প্ৰদায়সমূহে স্বাধীনতা সংগ্ৰামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত প্ৰথম বড়োলেণ্ড মহোৎসৱ মুকলি কৰিব। অকল বড়োলেণ্ডতেই নহয় বৰং অসম, পশ্চিমবংগ আৰু নেপাল আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত বাস কৰা থলুৱা বড়ো লোকসকলক একত্ৰিত কৰাই ভাষা-সাহিত্য আৰু সংস্কৃতিৰ এই দুদিনীয়া মহোৎসৱৰ মূল উদ্দেশ্যে। এই মহোৎসৱৰ মূল বিষয় বস্তু হৈছে সমৃদ্ধিশালী ভাৰতৰ বাবে শান্তি আৰু সমৃদ্ধি। বড়োলেণ্ড মহোৎসৱৰ জৰিয়তে বিটিআৰ অঞ্চলৰ সংস্কৃতি, ভাষা আৰু শিক্ষা আদিত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব আৰু অঞ্চলটোত চহকী সাংস্কৃতিক আৰু ভাষিক ঐতিহ্য, জৈৱ বৈচিত্ৰ আৰু পৰ্যটনৰ সম্ভাৱনা তুলি ধৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০২০ চনত বড়ো শান্তি চুক্তি স্বাক্ষৰিত হৈছিল আৰু ইয়াৰ ফলত বড়োলেণ্ডত দশক দশক জোৰা হিংসা, সংঘৰ্ষৰ অৱসান ঘটিছিল। এই চুক্তিখনে অন্য শান্তি চুক্তিৰো বাট প্ৰশস্থ কৰিছিল। এই মহোৎসৱত বি টি আৰ অঞ্চলৰ লগতে অসমৰ বিভিন্ন ঠাই, পশ্চিমবংগ, ত্ৰিপুৰা, নাগালেণ্ড, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু দেশৰ বিভিন্ন প্ৰান্তৰ ৫ হাজাৰৰো অধিক সাংস্কৃতিক, ভাষিক আৰু কলা প্ৰেমীয়ে অংশ ল'ব।

০০০০০

সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু নানক জয়ন্তী বা গুৰুপৰব পালন কৰা হৈছে। শিখ ধৰ্মৰ ভেঁটি স্থাপন কৰা প্ৰথম শিখ গুৰু গুৰু নানক দেৱজীৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। এই বছৰ গুৰু নানক দেৱৰ ৫৫৫ সংখ্যক জয়ন্তী পালন কৰা হৈছে। এই দিনটোত বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা শিখ ধৰ্মাৱলম্বী লোকসকলে বিশেষ প্ৰাৰ্থনা জনায়।

গুৰু নানক জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশৱাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তা যোগে দেশ-বিদেশত বাস কৰা সকলো ভাৰতীয় বিশেষকৈ শিখ সম্প্ৰদায়ৰ লোকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ বাৰ্তাত কয়, যে গুৰু নানকে প্ৰেম, ভালপোৱা, ভাতৃত্ববোধ, সত্য আৰু ত্যাগৰ দৰে প্ৰমূল্যৱাজিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু তেওঁৰ শিকনি ৰাজীয়ে জনসাধাৰণক নৈতিক মূল্যবোধৰ পথ দেখুৱাই আহিছে। গুৰু নানকে লংগৰ নামেৰে পৰিচিত সমূহীয়া ৰান্ধনিশাল ব্যৱস্থাৰ প্ৰচলন কৰিছিল আৰু ভাতৃত্ববোধৰ পোষকতা কৰিছিল বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে গুৰু নানকে সামাজিক দায়িত্ব পালন কৰি আধ্যাত্মিকতাৰ পথ অনুসৰণ কৰিবলৈ সকলোকে উদ্বুদ্ধ কৰি আহিছে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কয়, যে গুৰু নানকৰ জীৱন জ্ঞাপন পোহৰ স্বৰূপ আৰু তেওঁৰ জীৱনে মানৱ সেৱাৰ বাৰ্তা বহন কৰে।

০০০০০

দেশত চলিত বৰ্ষৰ এপ্ৰিলৰ পৰা অক্টোবৰলৈকে ৰপ্তানিৰ হাৰ ৭ দশমিক ২-৮ শতাংশ বৃদ্ধি পাই ৪৬ হাজাৰ ৮২৭ কোটি ডলাৰ হৈছে। যোৱা বছৰ এই সময়ছোৱাত এই পৰিমাণ আছিল ৪৩ হাজাৰ ৬৪৮ কোটি ডলাৰ। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰ্যালয় জাৰি কৰা পৰিসংখ্যা অনুসৰি এই সময়ছোৱাত অকল বাণিজ্যিক সামগ্ৰীৰ ৰপ্তানী ২৫ হাজাৰ ২২৮ কোটি ডলাৰ হয়। এই পৰিমাণ যোৱা বছৰৰ একেই সময়ছোৱাৰ তুলনাত ৩ দশমিক ১-৮ শতাংশ অধিক। একেদৰে এই সময়ছোৱাত সেৱা ৰপ্তানীৰ আনুমানিক মূল্য ২১ হাজাৰ ৫৯৮ ডলাৰলৈ বৃদ্ধি পায়। এই পৰিমাণ যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত ১২ শতাংশ অধিক।

ooooo

বিদেশমন্ত্ৰী ড° এছ. জয়শংকৰে কালি এদিনীয়া চৰকাৰী কাৰ্যসূচীৰে সংযুক্ত আৰব আমেৰি ৰাষ্ট্ৰ ভ্ৰমণ কৰে। এই ভ্ৰমণৰ সময়ছোৱাত ড° জয়শংকৰে ডুবাই Knowledge Park চিমবায়'চিছ আন্তঃৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ বিদেশত থকা প্ৰথমটো চৌহদ উদ্বোধনী কাৰ্যসূচীত সভাপতিত্ব কৰে। ভাৰত আৰু সংযুক্ত আৰ ব আমিৰী ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত বিশেষ মাইলৰ খুঁটি হিচাপে চিহ্নিত এই কাৰ্যসূচীত দেশখনৰ সহিষ্ণুতা আৰু সহাৱস্থান বিভাগৰ মন্ত্ৰী শ্বেইখ নাহয়ান বিন মুবাৰক অল নাহয়ানো উপস্থিত আছিল। এই নতুন চৌহদে ছাত্ৰ-ছাত্ৰীসকলক ব্যৱস্থাপনা, প্ৰযুক্তি আৰু সংবাদ মাধ্যম আদি ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচীৰ সুবিধা প্ৰদান কৰিব। এই ভ্ৰমণৰ সময়ত ড° জয়শংকৰে মহম্মদ বিন ৰশ্বিদ গ্ৰন্থাগাৰত Why Bharat Matters শীৰ্ষক তেওঁৰ এখন গ্ৰন্থও উন্মোচন কৰে। ইয়াৰ পাছত ড° জয় শংকৰে দুয়োখন দেশৰ মাজৰ কূটনৈতিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী আব্দুল্লাহ বিন-জায়েদ-অল-নাহয়ানৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছ আৰু মহাবিকাশ অঘাড়ী মিত্ৰজোঁট ক্ষমতালৈ আহিলে তেওঁলোকে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে থকা সংৰক্ষণৰ সুবিধা কাঢ়ি ল'ব বুলি অভিযোগ কৰে। মুম্বাইৰ শিৱাজী পাৰ্কত কালি এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ সকলো ৰাজনৈতিক দলকে দলীয় স্বাৰ্থৰ উৰ্ধত থাকি ৰাষ্ট্ৰৰ উন্নতিৰ হকে চিন্তা কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে মহাৰাষ্ট্ৰৰ আসন্ন বিধানসভা নিৰ্বাচনত মহামিত্ৰ জোঁটৰ প্ৰাৰ্থীৰ হৈ ভোটদান কৰিবলৈ ভোটদাতাসকলক অনুৰোধ জনায়।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেল আজি জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে। ভাৰতে কিংছমিডত অনুষ্ঠিত প্ৰথমখন খেলত ৬১ ৰাণত জয়লাভ কৰিছিল। ডাৰবানত অনুষ্ঠিত দ্বিতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৩ উইকেটত পৰাজিত কৰিছিল। চেঞ্চুৰিয়ানত অনুষ্ঠিত তৃতীয়খন খেলত ভাৰত ১১ ৰানত জয়ী হৈছিল।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেঞ্চুৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক

৬ মেগাহার্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

**সমাপ্ত**